## অসম বুৰঞ্জীৰ এৰা-বোটলা

### চিপাহী বিদ্ৰোহৰ দাৱানলে চানিলে অসম

■ ১৮৩৮ চনত পুৰন্দৰ সিংহক সিংহানচ্যুত কৰাৰ পৰিণতিতেই অসমত চিপাহী বিদ্ৰোহৰ মূল ভেটি নিৰ্মিত হৈছিল। ইংৰাজে অসম অধিগ্ৰহণৰ পাছত সৰ্বসাধাৰণ ৰাইজৰ আৰ্থিক দুৰৱস্থা, চৰকাৰৰ বাণিজ্যিক নীতিৰ ফলত থলুৱা কুটীৰ শিল্প ধ্বংস, শিক্ষাৰ মাধ্যম বাংলা হোৱাৰ ফলত সৃষ্টি হোৱা অসন্তুষ্টি, পুৰন্দৰ সিংহৰ ৰাজ্য কাঢ়ি লোৱাৰ পাছত অভিজাত শ্ৰেণীৰ অৱস্থাৰ অধিক অৱনতি, চৰকাৰী কানিৰ প্ৰচলন আদিৰ ফলত সমগ্ৰ অসমত অসন্তুষ্টিয়ে এটা পুঞ্জীভূত ৰূপ ধাৰণ কৰিছিল। ১৮৫৩ চনত ইংৰাজৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি থকা আনন্দৰাম ঢেকিয়াল ফুকনৰ দৰে ব্যক্তিয়ে মফট মিলছক (A J Moffat Mills) দিয়া এখন আবেদনত জনাইছিল যে এপূৰা খেতি মাটিত দুইৰ পৰা তিনি টকা মূল্যৰ ২০ বা ২৫ মোন ধান পোৱা যায়; কিন্তু সেই মাটিৰ বাবদ খাজনা দিব লাগে ১ টকা ৪ অনা। অসমীয়া মানুহৰ এনে দুৰ্দশাৰ দিনতেই ত্ৰাণকৰ্তাৰ ৰূপত আৱিৰ্ভাৱ ঘটিছিল মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ। ইংৰাজৰ আগমনত প্ৰবল আত্মতুষ্টি লাভ কৰা আৰু প্ৰাৰম্ভিক কালত অসমত হোৱা বিদ্ৰোহ দমনত ইংৰাজক প্ৰত্যক্ষভাৱে সহায় কৰা মণিৰামে ১৮৩৮ চনত উজনি অসম ইংৰাজ ৰাজ্যত চামিলকৰণৰ ফলত দেৱান পদৰ পৰা বৰ্খাস্ত হৈ পৰৱৰ্তী কালত কোম্পানিৰ চাহ বাগিচাৰ দেৱান পদৰ পৰা ইস্তফা দিয়াৰ সময়ৰ পৰা ইংৰাজৰ শাসনৰ প্ৰতি তীব্ৰ বিযোদগাৰ পোষণ কৰি আছিল। ১৮৫৬ চনৰ শেষৰ ফালে উজনি অসমত পুনৰ আহোম ৰাজকোঁৱৰ অধিষ্ঠিত কৰাৰ আৰ্জি লৈ মণিৰামে কলকাতালৈ যাত্ৰা কৰে। তাত তেওঁ গৱৰ্নৰ ছাৰ জন কেম্পবেলক পুৰন্দৰৰ নাতি কন্দৰ্পেশ্বৰ সিংহক ৰাজ্য দিবৰ বাবে খাটনি ধৰে যদিও সঁহাৰি নাপাই ১৮৫৭ চনৰ ৬ মে'ত মণিৰামে গৱৰ্নৰ জেনেৰেলৰ ওচৰত এখন দৰ্খাস্ত দিয়ে। মণিৰাম কলকাতাত থকা কালতেই ১৮৫৭ চনৰ বিদ্ৰোহৰ অগনি জ্বলি উঠিছিল। দেৱানে কলকাতাৰ এজন ভদ্ৰলোক মধু মল্লিকক সহকাৰী হিচাপে অসমলৈ পঠিয়াই সচেতন আৰু সংগঠিত বিদ্ৰোহৰ কাম আৰম্ভ কৰে। মণিৰামৰ এই প্ৰস্তুতিৰ প্ৰতি সঁহাৰি জনাইছিল উগ্ৰসেন মৰঙীখোৱা গোহাঁই, কৃষ্ণদত্ত খঙীয়া বৰুৱা, লুকী ওৰফে লক্ষ্মীনাথ চোলাধৰা ফুকন, দুতিৰাম বৰুৱা চিৰস্তাদাৰ, মহীধৰ মুক্তিয়াৰ, মায়াৰাম নাজিৰ, উমাকান্ত শৰ্মা মুক্তিয়াৰ, বাহাদুৰ গাঁওবুঢ়া, ফৰমুদ আলী, কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণকান্ত গোস্বামী, দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ বাসুদেৱ গোস্বামী, আসাম কোম্পানিৰ ঠিকাদাৰ মধুৰাম কোঁচ, গণেশ চন্দ্ৰ বৰুৱা, চিত্ৰসেন বৰবৰা, খঙীয়া বৰুৱা, কলী সিং, ৰজাখেদা নগঞ্ৰা, ৰহিয়াল বৰুৱা, জাগিৰ জাগিয়াল গোহাঁই, লক্ষ্মণ সিং, গুৱাহাটীৰ চন্দ্ৰসেন সদৰামীন, ডেপুটি কালেক্টৰ মহেশ চন্দ্ৰ বৰুৱা, বলোৰাম খঙীয়া ফুকন, দেউবৰ বৰদলৈ আদিয়ে। চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহৰ বাসভৱন আছিল গোপন আলোচনাৰ কেন্দ্ৰ। বিদ্ৰোহৰ মূল সংগঠক আছিল পিয়লী বৰুৱা। ১৮৫৭ চনৰ অক্টোবৰ মাহত দুৰ্গা পূজাৰ অষ্টমীৰ দিনা বিদ্ৰোহ আৰম্ভ কৰাৰ পৰিকল্পনা আছিল। কিন্তু ফকীৰ-ৰূপী বাৰ্তাবাহকৰ হাতত কন্দৰ্পেশ্বৰ সিংহলৈ পঠিওৱা এখন চিঠি হৰনাথ দাৰোগাৰ (পৰ্বতীয়া বৰুৱা) হাতত পৰে। সেই চিঠি শিৱসাগৰৰ জিলাধিপতি কৰ্নেল হলৰয়ড চাহাবক দিয়াৰ ফলত বিদ্ৰোহ সংঘটিত হোৱাৰ পূৰ্বেই ইংৰাজে দমনৰ পদক্ষেপ লোৱাৰ সুবিধা পায়। হলৰয়ড চাহাবক অসম লাইট ইনফেন্ট্ৰিৰ অধিনায়ক কেপ্টেইন হেনেয়ে (Capt. Hannay) বিদ্ৰোহ দমনৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল।

ইয়াৰ পাছত বিদ্ৰোহত জড়িত সকলোকে আটক কৰা হয়। মণিৰামক কলকাতাৰ পৰা আনি যোৰহাটত বিচাৰ কৰে কৰ্নেল হলৰয়ডে। দিনটো আছিল ২৩ ফেব্ৰুৱাৰি, ১৮৫৮। ২৬ ফেব্ৰুৱাৰিত পিয়লী বৰুৱাৰ সৈতে মণিৰামক ফাঁচি দিয়া হয়। মধু মল্লিক, দুতিৰাম বৰুৱা, বাহাদুৰ গাঁওবুঢ়া আৰু ফৰমুদ আলীক বিহা হয় আন্দামান বা কলিয়াপানীৰ শাস্তি। কন্দৰ্পেশ্বৰ সিংহৰো কাৰাদণ্ড হয়। কমলা বৰগোহাঁই, মায়াৰাম নাজিৰ, নীলকণ্ঠ চোলাধৰা ফুকন আৰু লুকী শেনচোৱা বৰুৱাক ১৪ বছৰ; মধুৰাম কোঁচক সাত বছৰ; গণেশ চন্দ্ৰ বৰুৱা, নাৰায়ণ বৰবৰা আৰু উমাকান্ত শৰ্মাক তিনি বছৰৰ কাৰাদণ্ড বিহা হয়। মৰঙী খোৱা গোহাঁইৰ মাহীমাক আৰু মাক যথাক্ৰমে ৰূপহী আইদেউ আৰু লুম্বই আইদেউৰ পেঞ্চন ৰদ, সম্পত্তি বাজেয়াপ্ত আদি শাস্তি হয়। ১৮৫৮ চনৰ ১ নৱেম্বৰৰ মহাৰাণী ঘোষণা পত্ৰ অনুযায়ী কন্দৰ্পেশ্বৰ সিংহক আলিপুৰ জে'লৰ পৰা আৰু ১৮৬৩ চনৰ ১৬ ছেপ্টেম্বৰত বাহাদুৰ গাঁওবুঢ়া, দুতিৰাম বৰুৱা, ফৰমুদ আলীক আন্দামানৰ পৰা মুক্ত কৰা হয়।

চিপাহী বিদ্ৰোহত অংশ লোৱা বিদ্ৰোহীসকলক দোষী-নিৰ্দোষী বিচাৰ নোহোৱাকৈয়ে ইংৰাজে নানাধৰণৰ শাস্তি বিহিছিল। বিনাদোষে অভিযুক্ত হোৱা কোনো লোকে সুবিচাৰৰ বাবে প্ৰাৰ্থনা জনালে বিচাৰক হলৰয়ডে কৈছিল— 'Well, hang you first, try you after-wards'. সেই সময়ত ইংৰাজৰ বিচাৰ আইনৰ জৰিয়তে দোষী সাব্যস্ত হোৱা কোনো লোকক আত্মপক্ষ সমৰ্থনৰ কোনো সুবিধা দিয়া নহৈছিল।

১৮৫৭ চনৰ বিদ্ৰোহে স্বাধীনতা প্ৰয়াসী অসমীয়া বিপ্লৱীৰ লক্ষ্য পূৰণ কৰিব নোৱাৰিলে যদিও এই জাগৰণে অসমীয়া মানুহক পুনৰ দেশৰ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিবলৈ উদগনি যোগালে।

## ইটো-সিটো বহুতো

### দলঙৰ ইটো-সিটো

■ পৃথিৱীৰ প্ৰথমখন দলং সম্ভৱতঃ প্ৰকৃতিয়ে নিজেই সৃষ্টি কৰিছিল। সৰু নৈ বা জান-জুৰিৰ ওপৰত গছ-গছনি উঘালি পৰাৰ ফলত জান-জুৰিৰ দুয়োপাৰৰ যোগাযোগ সম্ভৱ হৈছিল। প্ৰকৃতিৰ পৰা লাভ কৰা ধাৰণাৰে আদিম মানুহে নৈ, জান-জুৰিৰ দুয়োপাৰে শিলৰ টুকুৰা দ'ম কৰি তাৰ ওপৰত কাঠৰ দলং সাজিছিল। ডাঙৰ ডাঙৰ লতাৰে নদীৰ দুয়োপাৰে সংযোগ কৰি ওলমা দলং নিৰ্মাণ কৰা হৈছিল।

যিশুখ্ৰিষ্টৰ জন্মৰ প্ৰায় চাৰি হাজাৰ বছৰ আগৰে পৰা মানুহে খুঁটা পুতি দলং নিৰ্মাণ কৰিবলৈ শিকিছিল। দলং নিৰ্মাণত ৰোমানসকল অতি পাকৈত আছিল। তেওঁলোকে আগ্নেয় মাটি, চুণ আৰু পানীৰ সহায়ত 'কংক্ৰিট' তৈয়াৰ কৰি দলং সজাত তাক ব্যৱহাৰ কৰিছিল। এই প্ৰযুক্তি ইমানেই উন্নত আছিল যে ৰোমৰ ওচৰৰ টাইবাৰ (Tiber) নদীৰ ওপৰত এনে ধৰণেৰে সজা আঠখন দলঙৰ ছখনেই আজিও অক্ষত অৱস্থাত আছে।

অষ্টাদশ শতিকাত দলং নিৰ্মাণত যুগান্তকাৰী পৰিৱৰ্তন আহে। ১৭৭৯ চনত ইংলেণ্ডৰ ক'লব্ৰুক্‌ডেলত (Coalbrookdale) ছেভৰ্ন নদীৰ ওপৰত



প্ৰাচীন ৰোমৰ দলং